This question paper consists of 27 questions and 4 printed pages.
এই প্ৰশ্নকাকতত 27খন প্ৰশ্ন আৰু 4 ছপা পৃষ্ঠা আছে।

**Code No. 63/S/A/A**
কোড নং

সেট **A**

Roll No.
ৰোল নং

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | | | | |

# ASSAMESE

## ( অসমীয়া )

## (228)

Day and Date of Examination ..........................................................................
(পৰীক্ষাৰ দিন আৰু তাৰিখ)

Signature of Invigilators 1. ..........................................................................
(তত্ত্বাৱধানকাৰীসকলৰ স্বাক্ষৰ)

2. ..........................................................................

---

*সাধাৰণ নিৰ্দেশাৱলী ঃ*

1. প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব।

2. পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ ল'ব লাগিব।

3. সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিব লাগিব।

4. নিৰ্দিষ্ট স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হ'ব।

5. উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা 63/S/A/A, সেট **A** উল্লেখ কৰিব।

# ASSAMESE

## (অসমীয়া)

## (228)

সময় ঃ 3 ঘণ্টা ] [ পূৰ্ণমান ঃ 100

**নিৰ্দেশ ঃ** ***সকলো*** প্ৰশ্নৰ উত্তৰ কৰা বাঞ্ছনীয়। প্ৰতিটো প্ৰশ্নৰ কাষত নম্বৰ দিয়া আছে।

**1.** 'কাকূতি' নামৰ বৰগীতটিয়ে কবিয়ে নিজকে কাৰ লগত তুলনা কৰিছে? 1

**2.** 'জনমভূমি' নামৰ কবিতাটিৰ কবিগৰাকীৰ নাম লিখা। 1

**3.** আকাশৰ বেলিটিয়ে কিহত উঠি সোণালী কিৰণ ঢালি দিয়ে? 1

**4.** কবি কাৰ বাবে জীয়াই আছে? 1

**5.** তুলাৰামৰ কিমান চনত মৃত্যু হয়? 1

**6.** প্ৰথমে ওজাপালি গীতৰ মাধ্যম কি আছিল? 1

**7.** 'বৰবৰুৱাৰ গাত চ'তৰ বিহু' পাঠটিৰ লেখক কোন? 1

**8.** টিংখং বজোৱা শুনি কোনে সাৱধান বাণী শুনাইছিল? 1

**9.** খাৰুপাত বেচি ঘুনুচাই কিমান পইচা পাইছিল? 1

**10.** এগনিছৰ শিক্ষা-জীৱন ক'ত আৰম্ভ হৈছিল? 1

**11.** জাৰকালি কেতেকী ফুল ফুলাবলৈ চৰাইজনীয়ে কি কৰাৰ কথা কৈছিল? 2

**12.** সময়ৰ সোঁতক কাৰ লগত আৰু কিয় তুলনা কৰা হৈছে? 2

**13.** ধনী বিধবা মহিলাগৰাকীয়ে সাহায্য পোৱাৰ কাৰণে কোন দায়ী? 2

**14.** জীৱন বীণ মানে কি? সেই বীণত কেতিয়া বিষাদ কালিমা নামে? 3

**15.** ইয়াণ্ডাবু সন্ধি ক'ত, কেতিয়া আৰু কাৰ মাজত হৈছিল, বুজাই লিখা। 3

**16.** ৰমজান মাহ আৰম্ভ হোৱাৰ লগে লগে 'মগনীয়া'ক দান কৰিব লগা হোৱা কথাখিনি 'বতৰটো ফৰকাল' গল্পত কেনেদৰে প্ৰকাশ পাইছে, বুজাই লিখা। 3

**17.** প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা: 5×2=10

(ক) শান্তিৰ চৰাইযুৰিক আঁজলি ভৰাই মই দিছোঁ—ভঁৰালৰ
এমুঠি ধান, পৰাণৰ এমুঠি গান।

(খ) সংসাৰৰ শেষ সম্বল একেটি ৰতন, সিও তোমাৰ ভাগ্যত নাই।

**18.** 'জনমভূমি' *নাইবা* 'গড়গাঁও' কবিতাটিৰ মূলভাব লিখা। 6

**19.** শান্তিৰ দূত মাদাৰ টেৰেছাৰ কৰ্মময় জীৱনযাত্ৰাৰ চমু আভাস দিয়া। 5

**20.** ''ৰাজশক্তি আজি বলহীন''—এইষাৰ কাৰ উক্তি? কি কাৰণে ৰাজশক্তি আজি বলহীন বুলিছে, বুজাই লিখা। 4

**21.** তোমাৰ অঞ্চলৰ অনিয়মীয়া বিদ্যুৎ যোগানৰ বিষয়ে জনাই বিভাগীয় কৰ্তৃপক্ষলৈ এখন চিঠি লিখা। 8

**22.** এটা শব্দত প্ৰকাশ কৰা (যি কোনো **পাঁচটা**): 1×5=5

বনত ফুৰে যি; যি সকলো জানে; যি জুই নুমাই গ'ল; ৰজাৰ প্ৰতি যি ভক্তি; পৰ্বতৰ ওখ জোঙা আগভাগ; উৰ্বৰ নহয় যি।

**23.** বাক্য-ৰচনা কৰা (যি কোনো **পাঁচটা**): 1×5=5

চকু মুদা; কাবৌ কাকূতি; আদানপ্ৰদান; কঁকাল-ভাঙ; পানীত হাঁহ নচৰা; কেন্‌কেনীয়া।

**24.** সন্ধি ভাঙা আৰু জোৰা লগোৱা (যি কোনো **পাঁচটা**): 1×5=5

চেনেহী; পনীয়া; নাচনী; ভাগৰ + উৱা; জগৎ + নাথ; মৰম + ইয়াল।

**25.** বিপৰীতাৰ্থক শব্দ লিখা (যি কোনো **পাঁচটা**): 1×5=5

আকাশ; বিদেশী; দুখীয়া; জ্যেষ্ঠ; সাধাৰণ; ওখ।

**26.** ভাব-সম্প্ৰসাৰণ কৰা (যি কোনো **দুছোৱা**): 6×2=12

(ক) অহিংসাই পৰম ধৰ্ম।

(খ) এশ গৰু মাৰিলে বাঘৰো মৰণ।

(গ) পুথি অধ্যয়ন বিদ্যা আৰ্জনৰ ঘাই উপায়।

**27.** তলত দিয়া যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা: 10

দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ; ছাত্ৰ জীৱনত খেলাধূলাৰ ভূমিকা; পৰিৱেশ প্ৰদূষণ আৰু প্ৰতিকাৰ; তোমাৰ প্ৰিয় সাহিত্যিক।

★ ★ ★